**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্রত প্রধানমন্ত্রী নেতৃত্বাধীন চৰকাৰৰ একাদশ বৰ্ষপুৰ্তি উপলক্ষে ভাৰত চৰকাৰৰ নাগৰিক সংযোগ মঞ্চ মাই গভত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

২। ৰাজা ৰঘুবংশীৰ হত্যাকাৰী পত্নী সোনম ৰঘুবংশীয়ে উত্তৰ প্ৰদেশৰ গাজিপুৰ জিলাৰ নন্দগঞ্জ থানাত যোৱানিশা আত্মসমৰ্পন কৰে।

৩। স্বাধীনতা সংগ্ৰামী বীৰচা মুণ্ডাৰ আজি ১২৫ সংখ্যক মৃত্যু বাৰ্ষিকী।

আৰু

৪। ছট্টিশগড়ত মাওবাদীৰ দ্বাৰা সংঘটিত এল ই ডি বিস্ফোৰণৰ ঘটনাত এগৰাকী অতিৰিক্ত আৰক্ষী অধীক্ষকৰ মৃত্যু হয়।

০০০০০০০

কেন্দ্রত প্রধানমন্ত্রী নেতৃত্বাধীন চৰকাৰৰ একাদশ বৰ্ষপুৰ্তি উপলক্ষে ভাৰত চৰকাৰৰ নাগৰিক সংযোগ মঞ্চ মাই গভত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিগত দশকত ভাৰতে এক উল্লেখযোগ্য বৃদ্ধি আৰু পৰিৱৰ্তন সাক্ষী হৈ আহিছে। উন্নত পথ আৰু শক্তিশালী স্বাস্থ্যসেৱা ব্যৱস্থাৰ পৰা আৰম্ভ কৰি উন্নীতকৃত ৰাজহুৱা সুবিধা , উন্নত সুৰক্ষা ব্যৱস্থা, আৰু সম্প্ৰসাৰিত ডিজিটেল আন্তঃগাঁথনিলৈকে। এই পৰিৱৰ্তনসমূহ উদযাপন আৰু নথিভুক্ত কৰিবলৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে মাইগভৰ সহযোগত দেশৰ সকলো নাগৰিককে "বদালতা ভাৰত মেৰা অনুভৱ ব্লগ লিখা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছে। দৰিদ্ৰসকলক সেৱা আগবঢ়োৱা , কৃষক কল্যাণ নিশ্চিত কৰা, নাৰী শক্তিৰ বাবে নতুন গতি আৰু ভাৰতৰ সবলীকৰণ" আদি বিষয়বস্তুৰ ওপৰত ব্লগসমূহ লিখিব পাৰিব। ইংৰাজী আৰু হিন্দী ভাষাত ১০০০ৰ পৰা ১৫০০ শব্দৰ ভিতৰত এই ব্লগসমূহ লিখিব পাৰিব। এই প্ৰতিযোগিতাত যোগদানৰ অন্তিম তাৰিখ এই মাহৰ ২০ তাৰিখ।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ১৪০ কোটি ভাৰতীয়ৰ আশীৰ্বাদ আৰু সামূহিক অংশগ্ৰহণৰ দ্বাৰা চালিত দেশখনে বিগত ১১ বছৰত বিভিন্ন খণ্ডত দ্ৰুত পৰিৱৰ্তনৰ সাক্ষী হৈছে। ছ ’চিয়েল মিডিয়াৰ এটা পোষ্টত তেওঁ কয় যে সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াসৰ নীতিৰ দ্বাৰা পৰিচালিত হৈ এন ডি এ চৰকাৰে গতি, পৰিসৰ আৰু সংবেদনশীলতাৰে যুগান্তকাৰী পৰিৱৰ্তন আগবঢ়াইছে। মোদীয়ে লগতে কয় যে অৰ্থনৈতিক বৃদ্ধিৰ পৰা সামাজিক উত্থানলৈকে জনকেন্দ্ৰিক , সৰ্বাংগীন আৰু সৰ্বাংগীন অগ্ৰগতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশ আজি কেৱল দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি নহয় , জলবায়ু কাৰ্য্য আৰু ডিজিটেল উদ্ভাৱনৰ দৰে জৰুৰী বিষয়সমূহৰ ওপৰতো এক গুৰুত্বপূৰ্ণ বিশ্বব্যাপী কণ্ঠস্বৰ।

প্ৰধানমন্ত্ৰীয়ে নমো এপত উপলব্ধ ভিডিঅ ’, ইনফ’গ্ৰাফিক, আৰু প্ৰবন্ধৰ দৰে বিভিন্ন আকৰ্ষণীয় ফৰ্মেটৰ জৰিয়তে ভাৰতৰ বিকাশ যাত্ৰা অন্বেষণ কৰিবলৈও জনসাধাৰণক আমন্ত্ৰণ জনায়।

০০০০০০০০০

বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন চৰকাৰে প্ৰদৰ্শনৰ ৰাজনীতি আনি দায়িত্বশীল আৰু সঁহাৰিজনক চৰকাৰ উপহাৰ দি দেশৰ ৰাজনৈতিক সংস্কৃতি সলনি কৰিছে। মোডী চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি শ্ৰী নাড্ডাই কয় যে এই চৰকাৰে দেশৰ ৰাজনৈতিক পৰিৱেশ সলনি কৰিছে। শ্ৰী নাড্ডাই কেন্দ্ৰৰ এন ডি এ চৰকাৰক সাহসী সিদ্ধান্ত লোৱা এখন ফলপ্ৰসূ চৰকাৰ বুলি অভিহিত কৰে। তেওঁ কয় , ই এখন জননেতৃত্বাধীন চৰকাৰ আৰু ই স্বচ্ছতাৰ এক নতুন মানদণ্ড নিৰ্ধাৰণ কৰিছে। বিজেপিৰ সভাপতিগৰাকীয়ে লগতে কয় যে বিগত ১১ বছৰত মোডী চৰকাৰে বিকশিত ভাৰতৰ ভেটি স্থাপন কৰিছে। শ্ৰী নাড্ডাই অভিযোগ কৰে যে ২০১৪ চনৰ আগৰ পূৰ্বৰ চৰকাৰখন দুৰ্নীতিৰ সৈতে জড়িত আছিল আৰু লগতে নেতিবাচকতাৰ পৰিৱেশও আছিল। তেওঁ কয় , ২০১৪ চনৰ পিছত এই কথা সলনি হৈছে আৰু দেশত আশাবাদৰ ভাৱ দেখা গৈছে।

000000

ৰাজা ৰঘুবংশীৰ হত্যাকাৰী পত্নী সোনম ৰঘুবংশীয়ে উত্তৰ প্ৰদেশৰ গাজিপুৰ জিলাৰ নন্দগঞ্জ থানাত যোৱানিশা আত্মসমৰ্পন কৰে। ৰাজা ৰঘুবংশীৰ মৃত্যুৰ ঘটনাত জড়িত আন তিনিজন অভিযুক্তক মেঘালয় আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলে ধৰা পেলায়। ইয়াৰে দুগৰাকীক মধ্য প্ৰদেশৰ ইন্দোৰৰ পৰা আৰু আনগৰাকীক উত্তৰ প্ৰদেশৰ ললিতপুৰ জিলাৰ পৰা আটক কৰা হয়। মধ্য প্ৰদেশৰ ইন্দোৰৰ পৰা সোনম ৰঘুবংশী আৰু ৰাজা ৰঘুবংশী নামৰ নৱবিবাহিত দম্পত্তি মধুচন্দ্ৰিকা যাপনৰ বাবে মেঘালয়লৈ আহিছিল যদিও যোৱা ২৩ মে'ৰ পৰা দুয়োগৰাকী সন্ধানহীন হৈ আছিল। অৱশেষত মেঘালয় আৰক্ষীয়ে ৰাজা ৰঘুবংশীৰ পৰিত্যক্ত মৃতদেহ উদ্ধাৰ কৰিব পাৰিলেও পত্নী সোনম ৰঘুবংশীৰ কোনো সন্ধান পোৱা নাছিল। পাছত মেঘালয় আৰক্ষীয়ে অনুসন্ধান চলাই হত্যাকাৰী সোনম ৰঘুবংশীৰ সম্ভেদ লাভ কৰে। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড্ কে চাংমাই ৰাজ্যখনৰ আৰক্ষীৰ এই সফলতাৰ বাবে টুইটযোগে আৰক্ষীক অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০০০

স্বাধীনতা সংগ্ৰামী বীৰচা মুণ্ডাৰ আজি ১২৫ সংখ্যক মৃত্যু বাৰ্ষিকী। তেওঁ জনজাতীয় মানুহৰ অধিকাৰ আৰু সন্মানৰ বাবে যুঁজিছিল। ১৮৭৫ চনৰ ১৫ নৱেম্বৰত ঝাৰখণ্ডৰ উলিহাটু অঞ্চলত বীৰচা মুণ্ডাৰ জন্ম হৈছিল। জাৰ্মান মিছন স্কুলত শিক্ষা জীৱনৰ পাটনি মেলা মুণ্ডাই জনজাতীয় লোকসকলৰ উত্তৰণৰ বাবে অহৰহ কাম কৰিছিল। শিক্ষাৰ জৰিয়তে জনজাতীয় লোকসকলক ধৰ্মান্তৰিত কৰাৰ বাবে ব্ৰিটিছে লক্ষ্য বান্ধি লৈছিল। এই অভিজ্ঞতাই বীৰচা মুণ্ডাক Birsait নামৰ এটা সংস্থা গঠনৰ বাবে অনুপ্ৰেৰণা যোগাইছিল। এই সংস্থাৰ জৰিয়তে জনজাতীয় লোকসকলৰ পৰম্পৰাগত বিশ্বাস ঘূৰাই অনাৰ বাবে আৰু ব্ৰিটিছ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ কাম কৰিছিল। উলগুলান আন্দোলনৰ সময়ত বীৰচা মুণ্ডাৰ কাৰ্যকলাপে শীৰ্ষ স্থান লাভ কৰিছিল। উলগুলান অভিযানৰ জৰিয়তে জনজাতীয় অধিকাৰ, ভূমি আৰু সম্পদৰ মালিকীস্বত্বৰ বাবে কাম কৰা হৈছিল। বীৰচা মুণ্ডাৰ জন্মদিন ১৫ নৱেম্বৰৰ দিনটো প্ৰতিবছৰে জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰি অহা হৈছে। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংগোৱাৰ আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে বীৰচা মুণ্ডাৰ সোঁৱৰণত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

০০০০০০০০০

ছট্টিশগড়ত মাওবাদীৰ দ্বাৰা সংঘটিত এল ই ডি বিস্ফোৰণৰ ঘটনাত এগৰাকী অতিৰিক্ত আৰক্ষী অধীক্ষকৰ মৃত্যু হয়। ৰাজ্যখনৰ চুক্মা জিলাত আজি পুৱাৰ ভাগত সংঘটিত এই ঘটনাৰ সময়ত আৰক্ষীৰ এটা দলে অঞ্চলটোত তহল দি আছিল। বিস্ফোৰণৰ ফলত আকাশ ৰাও গিৰিপুঞ্জে নামৰ অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকী নিহত হোৱাৰ লগতে আন কেইবাজনো আৰক্ষী আহত হয়।

ooooooooo

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হৈছে। অধিৱেশনৰ আৰম্ভণিতে প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদ আৰু সাম্প্ৰতিক বান আৰু গৰাখহনীয়াত জীৱন হেৰুওৱা লোকসকলৰ লগতে জম্মু-কাশ্মীৰৰ পেহেলগাম আক্ৰমণত মৃত্যু হোৱা লোকসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱা হয়। সদনৰ প্ৰশ্নকালত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা আৰু এ আই ইউ ডি এফৰ বিধায়ক আশ্ৰাফুল হুছেইনে অবৈধ বাংলাদেশী ঘূৰাই পঠিওৱা বিষয়টো সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বৰদুৱাৰ চাহ বাগিচাক অন্তৰ্ভুক্ত কৰি প্ৰস্তাৱিত পলাশবাৰী ছেটেলাইট টাউনশ্বিপৰ বিষয়টো উত্থাপন কৰে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে গোৱালপাৰাৰ লক্ষীপুৰৰ উচ্ছেদ সন্দৰ্ভত কৰা প্ৰশ্নৰ মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ে। ৰাক্ষসিনী পাহাৰৰ ভূমি সন্দৰ্ভত বিধায়ক শ্বেৰমান আলীয়ে প্ৰশ্ন উত্থাপন কৰে। উল্লেখযোগ্য যে পূৰ্বে কেবিনেটত গ্ৰহণ কৰা সিদ্ধান্ত আজি বিধানসভাৰ বিশেষ অধিবেশনৰ জৰিয়তে ডিব্ৰুগড় বিমান বন্দৰটো ড° ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সদনৰ এই প্ৰস্তাৱ পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হ'ব।

ooooooooo

অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১১খন জিলাৰ ৭৪১খন গাঁৱৰ প্ৰায় ৩ লাখ লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যখনত বছৰটোৰ প্ৰথমটো বানত ২৩জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত প্ৰায় ২৫ হাজাৰ লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooooo

দিল্লী চৰকাৰে ৭২ লাখ গছপুলি ৰোপনেৰে মহানগৰখনৰ পৰিৱেশ উন্নত কৰিবলৈ লক্ষ্য লৈছে। এই উদ্দেশ্যে এক পেড় মা কে নাম কাৰ্যসূচীৰ অধীনত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই গছপুলি ৰোপণ কৰি আজি চৰকাৰৰ এই লক্ষ্যৰ বিষয়ে সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ মাতৃৰ নামত নতুন দিল্লীৰ শালিমাৰ বাগ অঞ্চলৰ এখন চৰকাৰী বিদ্যালয় চৌহদত সেন্দূৰ গছৰ পুলি ৰোপণ কৰে। মুখ্যমন্ত্ৰী শ্ৰীমতী গুপ্তাই কয়, যে এক পেড় মা কে নাম কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ত দিল্লীৰ শিক্ষা বিভাগ আৰু বিদ্যালয়সমূহেও অংশগ্ৰহণ কৰিছে। পূৰ্বৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ এই অভিলাসী আঁচনিক কাৰ্যকৰী কৰা নাছিল বুলিও শ্ৰীমতী গুপ্তাই তাৎপৰ্যপূৰ্ণ অভিযোগ উত্থাপন কৰে।

ooooooooo

সমাপ্ত